জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৪৮/২০২২

**দুলু চাহ বাগিচাৰ হিতাধিকাৰীক আৰ্থিক সাহায্য বিতৰণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ**

# শিলচৰত ৰংগীৰখালৰ দুয়োকাষে শক্তিশালী গাৰ্ড ৱাল আৰু পথ বহলকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন

## গাৰ্ড ৱাল স্থাপন হ'লে নগৰাঞ্চলৰ বানপানীৰ আশংকা হ্ৰাস পাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাছাৰ জিলাৰ দুলু চাহ বাগিচাৰ চাহ শ্ৰমিক পৰিয়ালৰ প্ৰতি সদিচ্ছাৰ চিন স্বৰূপে আজি বাগিচাখনত অনুষ্ঠিত এক অনুষ্ঠানত ১২৯৬ টা পৰিয়ালৰ প্ৰতিটো পৰিয়ালক ১ লাখ টকাকৈ চেক প্ৰদান কৰে।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চাহ বাগিচা অঞ্চলৰ জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে। ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ জনসাধাৰণৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক বিকাশৰ বাবে কাম কৰি আছে। চেক প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই দুলু চাহ বাগিচাৰ অস্থায়ী কৰ্মচাৰীসকললৈও ৰাজ্য চৰকাৰে ১ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে দুলু চাহ বাগিচাৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক সৰলীকৰণৰ বাবে ৰাজ্য চৰকাৰে বাগিচাখনত থকা বিদ্যালয়ত পৰ্যাপ্ত সংখ্যক শিক্ষক নিযুক্তি দিব।

তদুপৰি, দুলু চাহ বাগিচাৰ দৰিদ্ৰ পৰিয়ালক অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভূক্ত কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অধীনত প্ৰতিটো পৰিয়ালে প্ৰতিমাহে ১২৫০ টকাকৈ আৰ্থিক সাহায্য লাভ কৰিব। তেওঁ দুলু চাহ বাগিচাৰ অন্তৰ্গত পৰিয়ালসমূহক এই ধনৰাশি সন্তানৰ শিক্ষাৰ উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ কয়। তেওঁ লগতে কয় যে যিহেতু শিক্ষা হৈছে মানৱ সম্পদ উন্নয়নৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ আহিলা, সেয়েহে দুলু চাহ বাগিচাৰ পৰিয়ালসমূহে সন্তানক শিক্ষা প্ৰদান কৰিব লাগে আৰু চিকিৎসা মহাবিদ্যালয়ত নামভৰ্ত্তিৰ বাবে চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিৰ্দ্ধাৰণ কৰা সংৰক্ষিত আসনৰ সদ্ব্যৱহাৰ কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যৰ চাহ বাগিচা এলেকাত বিনামূলীয়া বিদ্যুৎ যোগানৰ চিন্তা-চৰ্চা কৰি আছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিমান বন্দৰসমূহে একোটা অঞ্চলৰ অৰ্থনৈতিক বিকাশ কঢ়িয়াই আনে। গতিকে দুলুত প্ৰস্তাৱিত বিমান বন্দৰটোৱে বৰাক উপত্যকা অঞ্চলৰ অভূতপূৰ্ব অৰ্থনৈতিক উন্নয়নৰ গতি সূচনা কৰিব। তেওঁ কয় যে যিহেতু কুম্ভীৰগ্ৰামত থকা বৰ্তমানৰ বিমান বন্দৰটো প্ৰতিৰক্ষা বিমান বন্দৰ, গতিকে বিমান পৰিবহনৰ বৰ্দ্ধিত চাহিদা অনুসৰি বিমান বন্দৰটো সম্প্ৰসাৰণ কৰা সম্ভৱ নহয়। সেয়েহে, দুলুত প্ৰস্তাৱিত নতুন বিমান বন্দৰটোৱে বিমান যাত্ৰীৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰাৰ উপৰি জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়ন সাধন কৰিব।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই শিলচৰ চহৰত ৰংগীৰখালৰ দুয়োকাষে শক্তিশালী গাৰ্ড ৱাল আৰু পথ বহলকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পটো চি আই ডি এফৰ অধীনত ৪২০৬ লাখ টকা ব্যয় সাপেক্ষে সম্পন্ন কৰা হ'ব আৰু প্ৰকল্পটোৰ দৈৰ্ঘ্য প্ৰায় ৩.৭২ কিঃমিঃ হ'ব। এই প্ৰস্তাৱিত আন্তঃগাঁথনিৰ কাম কণকপুৰ বজাৰৰ পৰা আৰম্ভ কৰি শ্যামানন্দ আশ্ৰম, নেতাজী স্কুল হৈ সুনটিল হাস্পতালৰ সমীপত শেষ হ'ব। এই প্ৰকল্পটো সম্পূৰ্ণ হ'লে ই খহনীয়া হ্ৰাস কৰাৰ লগতে সুঁটিটোৰ পানী বহন ক্ষমতা বৃদ্ধি কৰিব, যাৰ ফলত নগৰাঞ্চলত বানপানী বহু পৰিমাণে হ্ৰাস পাব।

অনুষ্ঠানত পৰিবহন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, বিত্ত মন্ত্ৰী অজন্তা নেওগ, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা, সাংসদ ডাঃ ৰাজদ্বীপ ৰয়, বিধায়কদ্বয় দ্বিপায়ন চক্ৰৱৰ্তী আৰু কৌশিক ৰয় প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / হেঃশঃ**
**২৯/১১/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in